# বেয়া অভ্যাসবোৰ ভঙ্গ কৰা

## মদ, ড্ৰাগছ আৰু ব্যভিচাৰৰ ওপৰত যীচুৱে জয়দান কৰে

ল’ৰা-ছোৱালীক শিক্ষা দিয়া সকলে অধ্যয়ন C9b পঢ়ক।

**প্ৰাৰ্থনা ঃ** “প্ৰিয় প্ৰভু, খ্ৰীষ্টত আমাৰ মহান স্বাধীনতা অভিজ্ঞতা বুজিবলৈ আমাক সহায় কৰক।”

১। **ঈশ্বৰৰ বাক্যেৰে আপোনাৰ অন্তৰ আৰু মন যুগুত কৰক।**

চাওক, মাৰ্ক ৫ঃ১-২০ পদ, দুষ্ট শক্তিৰ পৰা মুক্ত কৰা ঈশ্বৰৰ শক্তি।

- ভূতবোৰৰ দ্বাৰাই অত্যাচাৰ পোৱা মানুহজনক যীচুৱে কি কৰিলে?
- চয়তানৰ পৰা মুক্ত হোৱা পিছত মানুহজনক যীচুৱে ক’লৈ পঠিয়ালে?

তেওঁলোকৰ জীৱনত পাপ কৰোঁতে কেনেকৈ ঈশ্বৰে তত্ত্বাৱধান লয়, এই কথা পৌলে ইফিচীয়া মণ্ডলীৰ লোকবিলাকক শিকাইছিল।

- ইফিচীয়ৰ লোকবিলাকলৈ লিখা পৌলৰ পত্ৰ পঢ়ক।
- ইফিচীয়াৰ লোকবিলাকৰ পৰা এই ছয়টা খোজ অধ্যয়ন কৰক যিহে মানুহবিলাকক তেওঁবিলাকৰ জীৱনত কৰা পাপবোৰৰ পৰা স্বাধীনতা পাবলৈ যীচুৰ ক্ষমতাৰ দ্বাৰাই সহায় পাইছিল।

**১ম খোজ।** ***আমাক আশীৰ্বাদ কৰিবলৈ আমাৰ পবিত্ৰ ঈশ্বৰৰ প্ৰতিজ্ঞাত ভাৰসা কৰক।***

চাওক, **ইফিচীয়া** ১ঃ৩-১৪ পদ, খ্ৰীষ্টত ঈশ্বৰে ইতিমধ্যে আমাক দিয়া আশীৰ্বাদবোৰ, যেনে —

- সৃষ্টিৰ পূৰ্বে তেওঁ আমাক বাচি ল’লে আৰু সকলো আত্মিক আশীৰ্বাদ বোৰেৰে আশীৰ্বাদ কৰিলে।
- তেওঁ আমাক নিৰ্দোষী, পবিত্ৰ ৰূপে বাচি ল’লে, আৰু আমাৰ সকলো পাপ ক্ষমা কৰিলে।
- তেওঁ আমাক জ্ঞান আৰু বুজিব পৰা শক্তি দান কৰিলে।
- তেওঁৰ পবিত্ৰ আত্মাই আমাক তেওঁৰ লগত স্বৰ্গলৈ নোযোৱালৈকে তেওঁৰ হাতত নিৰাপদে মোহৰ মাৰি ৰাখিলে।

ঈশ্বৰক আকোঁৱালি ল’’বলৈ আপোনাৰ জাকক প্ৰস্তুত কৰক আৰু এইবোৰ প্ৰতিজ্ঞাৰ নিমিত্তে তেওঁক ধন্যবাদ দিয়ক।

**২য় খোজ।** ***যীচু খ্ৰীষ্টক বিশ্বাস কৰাৰ দ্বাৰাই আমি পোৱা সীমাহীন ঈশ্বৰৰ অনুগ্ৰহ বিচাৰা***

চাওক, **ইফিচীয়া** ২ঃ১-১০, ঈশ্বৰৰ পৰা মানুহে অনুগ্ৰহ আৰু তেওঁবিলাকৰ পাপ আৰু ইয়াৰ শাস্তিৰ পৰা ৰক্ষা পোৱা একমাত্ৰ পথ।

- ৰক্ষা পাবলৈ আমি কি কৰা উচিত? (৮ পদত চাওক)
- কাৰ যোগেদি আমি ঈশ্বৰৰ অনুগ্ৰহ আৰু দয়া পাম?

**৩য় খোজ।** ***ইজনে সিজনৰ ভুলবোৰ শুদ্ধ আৰু স্বীকাৰ কৰাত সহায় কৰা***

চাওক, **ইফিচীয়া** ৩ঃ১০ আৰু ইফিচীয়া ৫ঃ২১ বিশ্বাসীবিলাকক মাৰ্গ প্ৰদৰ্শন আৰু উৎসাহ দিবলৈ এই জগতত কাৰ যোগেদি ঈশ্বৰে কাৰ্য্য কৰে,

- চাওক, ইফিচীয়া ৪ঃ১১-১৬, ইজনে সিজনে বৃদ্ধি পোৱাত সহায় কৰিবলৈ কিদৰে ঈশ্বৰে গোটেই জাককে সু-সজ্জিত কৰে।
- মদ পান কৰা, ড্ৰাগচ অথবা ব্যভিচাৰৰ পাপত পতিত জনক উৎসাহ দিবলৈ এক সবল সমাজৰ প্ৰয়োজন।

- কুকৰ্ম ত্যাগ কৰাজনক এজন মৰমিয়াল সহায়কাৰী বিশ্বাসীৰ প্ৰয়োজন যাতে তেওঁ জীৱনত কৰা পাপবোৰ যীচুৰ আগত স্বীকাৰ কৰে।
- তেওঁৰ জীৱনত প্ৰয়োজনীয় পৰিৱৰ্তনত সন্মত হ'বলৈ ৰাগী বহা জনক এই "যত্ন লোৱা" জনে সহায় কৰে।
- ৰাগী বহা জনক তেওঁৰ পৰিয়ালে তেওঁৰ পাপবোৰ, কোনো ওজৰ আপত্তি নোহোৱাকৈ মৰমেৰে সন্মুখীন হোৱা দৰ্কাৰ।
- এজন ৰাগী বহা ব্যক্তি সুস্থ হোৱাত সহায় কৰিবলৈ বন্ধুবিলাকক ঈশ্বৰে ব্যৱহাৰ কৰে। তেওঁৰ জীৱনত প্ৰয়োজনীয় পৰিৱৰ্তনৰ কাৰণে তেওঁলোকে সহায় কৰে, আৰু চয়তানৰ দ্বাৰা প্ৰলোভিত হওঁতে ঈশ্বৰৰ ক্ষমতা সোঁৱৰণ কৰাত তেওঁলোকে তেওঁক সহায় কৰে। তেওঁলোকে যুৱক ৰজা যিহোৱাচক উপদেশ দিয়া পুৰোহিত, যিহোৱাদাৰ দৰে আছিল, ২ ৰাজাৱলি ১২ঃ২।
- ৰাগী বহাজনক পাঁচ প্ৰকাৰৰ সহায়ৰ প্ৰয়োজন ঃ ১। প্ৰাৰ্থনাৰ কাৰণে ভাৰসা কৰিব পৰা এটা দল, ২। এগৰাকী মৰমিয়াল পৰামৰ্শদাতা, ৩। পবিত্ৰ আত্মাৰ শক্তি, যি বিচৰা জনক ঈশ্বৰে দিয়ে, ৪। পাপপূৰ্ণ স্বভাৱ আৰু ইয়াৰ কাৰ্য্যবোৰ ক্ৰুচবিদ্ধ কৰাত তেওঁৰ নিজৰ দৃঢ় প্ৰতিজ্ঞা, যি গালাতীয়া ৫ঃ১৩-২৬ পদত দিয়া আছে, ৫। তেওঁৰ পাপ সম্পৰ্কে, তেওঁৰ পৰিয়ালৰ উৎসাহ আৰু সৎ আলোচনা, যিদৰে দায়ূদৰ লোকবিলাকে তেওঁক উৎসাহিত আৰু সন্মুখীন হৈছিল, ১ ৰাজাৱলি ১ অধ্যায়।

**৪ৰ্থ খোজ.** ***বেয়া স্বভাৱৰ মূল কাৰণবোৰ প্ৰভেদ কৰা আৰু ই শেষ নোহোৱালৈকে ইয়াতে মনোনিবেশ কৰা।***

চাওক, ইফিচীয়া ৪ঃ২২-৩২ পাপ কৰাৰ ভাব আৰু সেইবোৰ গুচোৱা আন ভাববোৰ। চাওক, যাকোব ৩ঃ১৩-৪ঃ৩, মানুহবিলাকৰ জীৱনত অধিক সমস্যাৰ কাৰণ।

মানুহৰ ভাৱ ভঙ্গীৰ কেৱল চিনবিলাক নহয়, কিন্তু তেওঁলোকৰ দুৰ্বলতাৰ মূল কাৰণবিলাক বিচাৰ কৰা।

চয়তানৰ পৰা আমাৰ ইচ্ছা ঈশ্বৰে মুক্ত কৰে আৰু কি উচিত তাক বাচি ল'বলৈ আমাক শক্তি দিয়ে।

**৫ম খোজ.** ***আমাৰ নিজৰ বেয়া অভ্যাসবোৰ সাহসেৰে আৰু নিশ্চিত ভাবে আক্ৰমণ কৰা।***

চাওক, ইফিচীয়া ৫ঃ৩-১৪, আমাৰ জীৱনত পাপৰ লগত কাৰ্য্য কৰাৰ এক উপায়।

- আমি স্বীকাৰ কৰোতে খ্ৰীষ্টৰ পোহৰে উদঙাই দিয়া ভাব আৰু পাপবোৰ চাওক।
- যাকোব ৫ঃ১৩-১৬ পদত চাওক, ৰোগ অথবা পাপত দুখ কষ্ট পোৱাসকলক বৃদ্ধসকলে কৰিছিল।

**৬ষ্ঠখোজ.** ***চয়তান, তাৰ ভূতৰ শক্তি আৰু সিহঁতৰ প্ৰতাৰণাৰ বিৰুদ্ধে যুদ্ধ ঘোষনা কৰি আগবঢ়া।***

চাওক, ইফিচীয়া ৬ঃ১০-১৮ চয়তানৰ প্ৰলোভনৰ পৰা কেনেকৈ আমি সুৰক্ষা পাম।

- চাওক, প্ৰত্যেক টুকুৰা ঈশ্বৰৰ ৰক্ষা কবচ পিন্ধাৰ অৰ্থ কি?
- ১৮ পদত চাওক, অনিষ্টকাৰীৰ আক্ৰমণৰ পৰা ৰক্ষা পাবলৈ আমি কিমান প্ৰাৰ্থনা কৰা উচিত।
- মাৰ্ক ৯ঃ১৪-২৯ পদত চাওক, আৰোগ্য হোৱাত প্ৰাৰ্থনাৰ শক্তি।

**২। সপ্তাহটোত কৰিবলগীয়া কামৰ আঁচনি সহকৰ্মীসকলৰ লগত কৰক**

- ছয়টা খোজ ব্যৱহাৰ কৰি ৰাগি বহা লোকক পৰামৰ্শ দিবলৈ পৰিপক্ক বিশ্বাসীসকলক প্ৰশিক্ষণ দিয়ক।
- সৰু গোটত ৰাগী বহা লোকক পৰামৰ্শ দিয়ক আৰু প্ৰাৰ্থনা কৰক। ইয়াৰ বাবে আপুনি হয়তো এটা নতুন গোট গঠন কৰিব পাৰে।

**৩। হ'ব লগীয়া উপাসনা সময়ৰ নিমিত্তে সহকৰ্মী সকলৰ লগত আঁচনি কৰক।**

থলুৱা ৰীতি-নীতি আৰু বৰ্তমানৰ প্ৰয়োজনত খাপ খুৱাকৈ কামবোৰ বাচি লওক।

ইফিচীয়া লোকসকলৰ বাবে পৌলে কৰা **প্ৰাৰ্থনা** কৰক, ইফিচীয়া ৩ঃ১৪-২১

কুকৰ্মৰ পৰা মুক্ত হ’বলৈ ৬ টা খোজ **ব্যাখা কৰক**, ১ ম খণ্ড।

**ঈশ্বৰৰ প্ৰশংসা কৰক** কাৰণ তেওঁৰ আত্মাই আমাক সলনি কৰে। কুকৰ্মৰ ওপৰত জয়ী হোৱা সাক্ষ্যবোৰ বিশ্বাসীসকলক ক’বলৈ কওক।

ভূতবোৰৰ পৰা মুক্ত কৰা মানুহজনৰ **কাহিনীটো কওক** অথবা **নাট কৰক**, কাহিনীটো ক’বলৈ সহায়কাৰীসকলক প্ৰস্তুত কৰক। মানুহজনৰ কাৰণে যীচুৱে কি কৰিলে সেই বিষয়ে প্ৰথমে প্ৰতিজনক শুনিবলৈ কওক। তেওঁলোকে ইয়াত কি আৱিষ্কাৰ কৰিলে পিছত সোধক।

কুকৰ্মৰ ওপৰত বিজয়ী হোৱা স্পষ্টকৈ **বুজাই দিয়ক**।

**শ্ৰীমান প্ৰতাৰকে** মদ খাই কʼব নোৱাৰা হেন বুজায়; আৰু হাতৰ পৰা লেতেৰাবোৰ মুচি পেলাবলৈ চেষ্টা কৰে। যোৱাৰাতিৰ তাৰ দুৰ্বলতাৰ কাৰণে সি অনুতপ্ত বুলি কয়।

**শ্ৰীমান সৰ্পই** তাৰ কথাত চিঞৰি কয়, যেনে, “তুমি একেবাৰে অকৰ্মন্য। ঈশ্বৰে এতিয়া আৰু তোমাক ৰক্ষা কৰিব নোৱাৰে। এই প্ৰলোভনৰ ওপৰত তুমি কেতিয়াও জয়ী হ’ব নোৱাৰা” দুষ্টতাৰ হাঁহি মাৰে।

**শ্ৰীমান পৰামৰ্শদাতাই** এবাতি পানী আনে আৰু শ্ৰীমান প্ৰতাৰকক কয়, “যীচুৰ তেজে তোমাক শুচি কৰিব।”

**শ্ৰীমান প্ৰতাৰকে** তেওঁৰ পাপবোৰ আৰু মদৰ প্ৰতি আগ্ৰহ ধুই নিবলৈ যীচুক কয়। সি পানীত তাৰ হাত দুখন ধুৱে আৰু চিঞৰি কয়, “মই এতিয়া শুচি।”



বয়সীয়াসকলৰ নিমিত্তে প্ৰস্তুত কৰা কবিতা, নাটক আৰু প্ৰশ্নবোৰ প্ৰদৰ্শন কৰিবলৈ দিয়ক।

ৰাগী বহা লোকক সহায় কৰিবলৈ সপ্তাহটোৰ কাৰণে প্ৰস্তুত কৰা কামবোৰ ঠিক কৰক আৰু ব্যাখা কৰক।

দুই বা তিনিজনীয়া গোটত প্ৰাৰ্থনা, আঁচনি স্থিৰ আৰু পৰস্পৰক উৎসাহ দিবলৈ বিশ্বাসীসকলক কওক।

প্ৰভুৰ ভোজ স্থাপন কৰিবলৈ যোহন ৬ঃ২৫-৩৫ পঢ়ক। ৫০০০ হেজাৰ লোকক খুউৱা পিছত, কিছুমান মানুহে অধিক বিচাৰিছিল, কিন্তু তেওঁ তাৰ পৰিৱৰ্তে অনন্ত জীৱন দিয়া স্বৰ্গৰ আহাৰহে আগবঢ়ালে। প্ৰভুৰ ভোজত, আমি পিঠাৰ সহভাগিতা লোৱা লোক, যিদৰে ১ কৰিন্থীয়া ১০ঃ১৬-১৭ পদত ব্যাখা কৰা আছে।

গালতীয়া ৫ঃ২৪ পদ একেলগে মুখস্থ কৰক।

Copyright 2003 © by Paul-Timothy. May be freely copied. Download from www.Paul-Timothy.net